## ২০১১ চনৰ লোকপিয়ল প্ৰশিক্ষন

২০১১ চনত হব লগা ৯ ফেব্ৰুবাৰীৰ পৰা ২৮ ফেব্ৰুবাৰী, ২০১১ লৈ Population Enumeration (PE) আৰু ১ মাৰ্চৰ পৰা ৫ মাৰ্চলৈ Revisional Round হব লগা দ্বিতীয় পৰ্য্যায়ৰ লোকপিয়ল গণনাৰ বাবে ওদালগুৰিত উপায়ুক্তৰ সভাগৃহত প্ৰশিক্ষণৰ কাৰ্য্যসুচী আৰম্ভ কৰা হয় | প্ৰশিক্ষণ কাৰ্য্যসুচী ইং ২৭/১২/২০১০ তাৰিখৰ পৰা ২৯/১২/২০১০ ইং তাৰিখলৈ লোবা হৈছে | প্ৰথম দিনৰ কাৰ্য্যসুচী শুভাৰম্ভ কৰে ওদালগুৰিৰ অতিৰিক্ত উপায়ুক্ত মাননীয় শ্ৰী কুলেন তালুকদাৰ দেবে | এই কাৰ্য্যসুচীত ৯ টা ৰাজহ চক্ৰৰ অধীনত নিয়ুক্ত সকলো Master Trainee ক প্ৰশিক্ষণ দিয়া হয় | প্ৰশিক্ষণত সঞ্চালক কাৰ্য্যালয়ৰ, সহকাৰী সঞ্চালক ড: কে. এচ. সিং আৰু Alliance Group ৰ পৰা শ্ৰী ভবেশ চন্দ্ৰ বৈশ্য উপস্থিত থাকে |







প্ৰশিক্ষণত Power Point ব্যৱহাৰ কৰি সকলো কথা সামৰি প্ৰশিক্ষণ দিয়া হয় লগতে পৰিয়াল অনুসুচী কি ধৰনে পুৰাব লাগে বা পুৰাবৰ সময়ত কি কি সাৱধানতা অবলম্বন কৰিব লাগে তাক বিতং ভাবে বুজাই বুজাই দিয়া হয় | প্ৰশিক্ষণ কাৰ্য্যসুচী ২৯/১২/২০১০ তাৰিখে সুকলমে সমাপ্তি হয় | Supervisor and Enumerator সকলৰ প্ৰশিক্ষণ অহা ১০, ১১, ১২ জানুবাৰী, ইং ২০১১ চনত হব বুলি জনোৱা হয় |